**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-01-2026
**Time :** 17-15 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গোলাঘাট আৰু টিয়কত ৩৬ হাজাৰ ৮৭৩ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ।
২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি নিশা দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আগমন।
৩। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ লোকসভাত অৰ্থনৈতিক সমীক্ষা দাখিল। ***আৰু***
৪। বকোত খাদ্যত বিষক্ৰিয়া হৈ ৩৪ গৰাকী লোক চিকিৎসাধীন।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট আৰু টিয়ক বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ৩৬ হাজাৰ ৮৭৩ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰে। টিয়ক সমষ্টিত হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁ আজি এই সমষ্টিটোকে ধৰি মুঠ ১০০ টা সমষ্টিত ২৫ লাখ হিতাধিকাৰীৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰিছে। ৬ ফেব্ৰুৱাৰীৰ পূৰ্বে বাকী থকা ২৬ টা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিত অভিযানৰ চেক বিতৰণ সম্পূৰ্ণ কৰা হব বুলিও তেওঁ কয়।

বাইট ঃ মুখ্যমন্ত্ৰী টিয়ক

আনহাতে, গোলাঘাটত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতাৰ চেক বিতৰণ কৰাৰ লগতে তেওঁ জিলাখনত ৩১৩ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰে। তেওঁ প্ৰথমে গোলাঘাটৰ নৱনিৰ্মিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয় উদ্বোধন কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত মুকলি প্ৰেক্ষাগৃহ, ৭ কোটি টকা ব্যয় সাপেক্ষ বালিজান উচ্চতৰ মাধমিক বিদ্যালয়ৰ নতুন ভৱন আৰু ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱনো মুকলি কৰে। মুখ্যমন্ত্ৰীয়ে এই কাৰ্যসূচীতে ১০৪ কোটি টকা ব্যয় সাপেক্ষ গোলাঘাট-মেৰাপানী পথ আৰু ১০৬ কোটি টকা ব্যয় সাপেক্ষ পদুমণি-ৰঙাজান পথো মুকলি কৰে।

বাইট ঃ মুখ্যমন্ত্ৰী-২

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি নিশা দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত তেওঁ ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। ২৮৪ কোটি টকা ব্যয়

সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই চৌহদৰ ভিতৰত বিধান সভা ভৱন, বিধায়কৰ আবাস গৃহ, প্ৰেক্ষাগৃহ আৰু বেৰেক থাকিব। তেওঁ লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰাৰ উপৰি দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব। মুঠ ৪৪৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে ইনড'ৰ ষ্টেডিয়াম, ফুটবল খেলপথাৰ, দুখন লন টেনিছ ক'ৰ্ট, দুখন ভলীবল ক'ৰ্ট, এখন বাস্কেটবল ক'ৰ্ট, ছুইমিং পুল, ল'ৰা-ছোৱালীৰ আবাস আদি নিৰ্মাণ কৰা হৈছে। খনিকৰ পেৰেড গ্ৰাউণ্ডত কাইলৈ দিনৰ ১১ বজাত হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা উপস্থিত থাকিব।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিব। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণী, স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব।

শ্ৰীশ্বাহে কাইলৈ বিয়লি ধেমাজিত মিছিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সন্ধিয়াৰ ভাগলৈ তেওঁ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল'ব। ০০০০

০০০০০

২০২৬ বিত্তীয় বৰ্ষত দেশৰ প্ৰকৃত মুঠ ঘৰুৱা উৎপাদনৰ  বিকাশ হাৰ ৭ দশমিক ৪ শতাংশ হ'ব পাৰে আৰু ২০২৭ বিত্তীয় বৰ্ষত এই হাৰ ৬ দশমিক ৮ ৰ পৰা ৭ দশমিক ২ শতাংশৰ ভিতৰত থকাৰ সম্ভাৱনা আছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত দাখিল কৰা অৰ্থনৈতিক সমীক্ষাত এই অনুমান কৰা হৈছে।

অৰ্থনৈতিক সমীক্ষা অনুসৰি ২০২৬ বিত্তীয় বৰ্ষতো দেশৰ শক্তিশালী বিকাশ ধাৰা বৰ্তি থাকিব। প্ৰকৃত মুল ঘৰুৱা উৎপাদনৰ প্ৰথমটো অগ্ৰীম অনুমানত মূলতঃ ঘৰুৱা চাহিদা বৃদ্ধিৰ বাবেই এই হাৰ ৭ দশমিক ৪ শতাংশ হ'ব পাৰে বুলি কোৱা হৈছে। অৰ্থনৈতিক সমীক্ষাত ভূ-ৰাজনৈতিক উত্তেজনা আৰু গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাসমূহৰ মাজত বাণিজ্য ক্ষেত্ৰত সৃষ্টি হোৱা বাধাৰ বাবে গোলকীয় অৰ্থনৈতিক বাতাবৰণ অনিশ্চিত হৈ থাকিব বুলি উল্লেখ কৰা হৈছে।

০০০০০

কামৰূপ জিলাৰ বকোত খাদ্যত বিষক্ৰিয়া হৈ ৩৪ গৰাকী লোক চিকিৎসাধীন হ'বলগীয়া হৈছে। ইয়াৰে ৫ গৰাকী লোকক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। আমাৰ কামৰূপৰ সংবাদদাতাই জনোৱা অনুসৰি বকোৰ জবেপাৰা, ৰংচেপাৰা আৰু ভোগদাবাৰী গাওঁৰ শতাধিক লোক খাদ্যৰ বিষক্ৰিয়াত আক্ৰান্ত হৈছিল। যোৱা মঙলবাৰৰ পৰা আক্ৰান্ত লোকসকল চিকিৎলায়ত ভৰ্তি হৈছে। কামৰূপ জিলা আয়ুক্তৰ নিৰ্দেশ মৰ্মে স্বাস্থ্য বিভাগৰ এটা দল ইতিমধ্যে বিষক্ৰিয়াত আক্ৰান্ত হোৱা লোকসকলৰ গাঁৱত উপস্থিত হৈ আক্ৰান্ত লোকসকলৰ স্বাস্থ্যৰ বুজ লৈছে। স্বাস্থ্য  বিভাগৰ দলটোৱে গাওঁখনৰ পানী, ৰোগীৰ মল মুত্ৰ, তেজৰ নমুনা, খাদ্য আদি সংগ্ৰহ কৰিছে।

০০০০০

অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটৰ আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত পদপথত আশ্ৰিত শিশুৰ সুৰক্ষা আৰু ভৱিষ্যত শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত সক্ৰিয় শিশু অধিকাৰ কৰ্মী তথা সামাজিক বিশ্লেষক জিতু দত্ত আৰু শিশু সুৰক্ষাৰ বাবে কাম কৰি অহা সংস্থা কেয়াৰ ইউ-৩৬৫ ৰ মুৰব্বী ভৃগু বৰঠাকুৰে অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ৰাজ্যৰ ঠিকাভিত্তিক শিক্ষকসকলে এতিয়াৰে পৰা শিক্ষা সেতু এপৰ জৰিয়তে ছুটিৰ বাবে আবেদন দাখিল কৰিব পাৰিব। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালক ওম প্ৰকাশে এই সন্দৰ্ভত সকলো জিলাৰ মিছন সমন্বয়কলৈ পত্ৰ প্ৰেৰণ কৰিছে। অহা ৩১ জানুৱাৰীৰ পৰাা ঠিকাভিত্তিক শিক্ষকৰ লিখিত ছুটিৰ আবেদন গ্ৰাহ্য কৰা নহ'ব বুলিও মিছন সঞ্চালকগৰাকীয়ে নিৰ্দেশনাত উল্লেখ কৰিছে।

০০০০০

বিমান দুৰ্ঘটনাত কালি মৃত্যু হোৱা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়া আজি পুণেৰ বাৰামতীত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন হয়। পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়াত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ আৰু ৰাজ্যিক মন্ত্ৰীসভাৰ অন্যান্য সদস্যসকল উপস্থিত থাকে।

০০০০০

ঃঃ সমাপ্ত ঃঃ